**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-08-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ কুৰি সংখ্যক কিস্তিৰ জৰিয়তে দেশৰ ৯ কোটি ৭০ লাখৰো অধিক কৃষকৰ মাজত ২০ হাজাৰ কোটিতকৈও অধিক টকা বিতৰণ কৰে।

২। ড০ বি আৰ আম্বেদকাৰৰ আৰ্থ-সামাজিক সমতা আৰু ন্যায়ৰ দৰ্শনে নতুন প্ৰজন্মক সদায়ে পথ প্ৰদৰ্শন কৰিব বুলি মুখ্য ন্যায়াধীশ ভূষণ গবায়ে মত প্ৰকাশ কৰিছে।

৩। জম্মু-কাশ্মীৰৰ কূলগাম জিলাৰ আখলদেৰচাৰ এলেকাত আজি নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত দুটা সন্ত্ৰাসবাদী নিহত হয়।

৪। ভাৰতে স্পেইনৰ পৰা চি-টু নাইণ্টি ফাইভ শ্ৰেণীৰ ১৬ খন সৈন্য পৰিবহণ বিমানৰ অন্তিমটো খেপ আজি লাভ কৰে।

***আৰু***

৫। লণ্ডনৰ অ'ভেলত অনুষ্ঠিত এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ পঞ্চম তথা অন্তিমখন টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে এই বাতৰি লিখাৰ পৰলৈকে চাৰিটা উইকেটৰ বিনিময়ত ...... ৰাণ সংগ্ৰহ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ নিজা সমষ্টি উত্তৰ প্ৰদেশৰ বাৰাণসীৰ পৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ কুৰি সংখ্যক কিস্তি মুকলি কৰে। এই কিস্তিৰ জৰিয়তে দেশৰ ৯ কোটি ৭০ লাখৰো অধিক কৃষকৰ মাজত ২০ হাজাৰ ৫০০ কোটি টকা বিতৰণ কৰা হয়। এইটো কিস্তিকে ধৰি আঁচনিখনৰ অধীনত বৰ্তমানলৈকে মুঠ ৩ লাখ ৯০ হাজাৰ কোটি টকা কৃষকৰ মাজত বিতৰণ কৰা হৈছে। এই আঁচনিৰ অধীনত প্ৰত্যক্ষ লাভ হস্তান্তৰৰ জৰিয়তে প্ৰতিজন কৃষকৰ আধাৰ সংযোগী বেংক একাউণ্টলৈ বছৰি তিনিটা সমান কিস্তিত মুঠ ছহেজাৰ টকাকৈ হস্তান্তৰ কৰা হয়। অসমৰ ২০ লাখৰো অধিক কৃষকে এই আঁচনিৰ জৰিয়তে মুঠ ৪২২ কোটিৰো অধিক ধন লাভ কৰিছে। ডিব্ৰুগড়ত এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত এটি

অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত তেওঁ কৃষকসকলক উৎপাদন বৃদ্ধিৰে দেশৰ অৰ্থনীতিৰ বিকাশৰ যাত্ৰাত সৰল ভূমিকা পালন কৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰীয়ে আজি প্ৰায় দুহেজাৰ ২০০ কোটি টকাৰ ৫২ টা উন্নয়নমূলক আঁচনিৰো উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহ আন্তঃগাঠনি আৰু নগৰ উন্নয়নকে ধৰি বিভিন্ন খণ্ডত ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে অনুষ্ঠিত জনসভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কাশীৰ সৈতে তেওঁৰ সম্পৰ্কৰ উল্লেখেৰে কয়, যে অপাৰেচন সিন্দুৰৰ সাফল্যৰ পাছত তেওঁ প্ৰথমবাৰৰ বাবে কাশীলৈ আহিছে। তেওঁ কয়, এই অভিযানৰ সময়ত সমগ্ৰ বিশ্বই আত্মনিৰ্ভৰ ভাৰতৰ ক্ষমতা অনুধাৱন কৰিলে। ভাষণত তেওঁ কৃষি আৰু কৃষকৰ কল্যাণৰ বাবে তেওঁৰ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ কথা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয়, যে চৰকাৰে যোৱা এক দশকত কৃষকসকলৰ প্ৰায় সকলো সমস্যাৰ সমাধান কৰিছে। এই ক্ষেত্ৰত তেওঁ ২৪ হাজাৰ কোটি টকা ব্যয়েৰে নতুনকৈ আৰম্ভ কৰা প্ৰধানমন্ত্ৰী **ধন ধন্য যোজনা**ৰ উল্লেখ কৰে।

শ্ৰীমোদীয়ে নতুনকৈ বহল তথা শক্তিশালী কৰা বাৰাণসী-ভাদহী পথ আৰু চিত্তাউনি-শূল টংকেশ্বৰ পথ উদ্বোধন কৰে। তদুপৰি হৰদত্তপুৰত ৰে'লৰে উৰণসেতুখনো তেওঁ উদ্বোধন কৰে।

পৰ্যটনক নতুন মাত্ৰা দি প্ৰধানমন্ত্ৰীয়ে কুচ্চ ঘাটৰ ৮টা পাৰৰ পুনৰ উন্নয়নৰ কামৰ লগতে কালিকা ধামৰ উন্নয়ন, শিৱপুৰৰ ৰংগিলদাস কুটিয়াৰ পুখুৰী আৰু ঘাটৰ সৌন্দৰ্য বৰ্ধন তথা দুৰ্গাকুণ্ডৰ উন্নয়নমূলক কাম উদ্বোধন কৰে।

০০০০০

ড০ বি আৰ আম্বেদকাৰৰ আৰ্থ-সামাজিক সমতা আৰু ন্যায়ৰ দৰ্শনে নতুন প্ৰজন্মক সদায়ে পথ প্ৰদৰ্শন কৰিব বুলি মুখ্য ন্যায়াধীশ ভূষণ গবায়ে মত প্ৰকাশ কৰিছে। নাগপুৰৰ ড০ আম্বেদকাৰ মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি শ্ৰীগবায়ে কয়, যে ড০ আম্বেদকাৰে সমগ্ৰ জীৱনজুৰি সামাজিক, আৰ্থিক সমতা আৰু ন্যায়ৰ দৰ্শন পালন কৰিবলৈ প্ৰয়াস কৰিছিল। তেওঁ লগতে কয়, যে মহিলাসকলৰ প্ৰগতি আৰু বিকাশ এখন সমাজৰ প্ৰগতি জোখাৰ অন্যতম মাপকাঠী। ড০ আম্বেদকাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে এই মান পূৰণ কৰিবলৈ সমৰ্থ হোৱা দেখি তেওঁ অতিশয় সুখী বুলি শ্ৰীগবায়ে লগতে উল্লেখ কৰে। তেওঁ কয়, যে মহিলা সৱলীকৰণৰ জৰিয়তে ড০ আম্বেদকাৰ আৰু তেওঁৰ আদৰ্শৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব। অনুষ্ঠানত ভাষণ দি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিচে ড০ আম্বেদকাৰ মহাবিদ্যালয়ক অভিনন্দন জ্ঞাপন কৰাৰ লগতে বিহাৰ আৰু কেৰালাৰ প্ৰাক্তন ৰাজ্যপাল প্ৰয়াত আৰ এছ গবাই আৰু তেওঁৰ পুত্ৰ মুখ্য ন্যায়াধীশ ভূষণ গবায়ে এই প্ৰতিষ্ঠানৰ প্ৰতি আগবঢ়োৱা অৱদানৰ প্ৰশংসা কৰে।

০০০০০

জম্মু-কাশ্মীৰৰ কূলগাম জিলাৰ আখলদেৰচাৰ এলেকাত আজি নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত দুটা সন্ত্ৰাসবাদী নিহত হয়। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, বিশেষ সূত্ৰ পৰা সেই এলেকাত সন্ত্ৰাসবাদীৰ বিচৰণৰ তথ্য লাভ কৰাৰ পাছত জম্মু-কাশ্মীৰ আৰক্ষী, সেনা বাহিনী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী - চি আৰ পি এফে যুটীয়াভাৱে অঞ্চলটোত অভিযান চলায়। এই সম্পৰ্কে কালি সন্ধিয়া তথ্য লাভ কৰাৰ পাছতে চলোৱা অভিযানত, শেহ নিশা এটা সন্ত্ৰাসবাদীৰ মৃত্যু হয় বুলি এজন জ্যেষ্ঠ আৰক্ষী বিষয়াই জানিবলৈ দিয়ে।

আন্ধাৰৰ বাবে অভিযান সাময়িকভাৱে স্থগিত ৰখা হয় যদিও পুৱাৰ ভাগত পুনৰ অভিযান আৰম্ভ হয়। অভিযানৰ সময়ছোৱাত দুয়োপক্ষৰ মাজত লগা গুলিয়াগুলীত আন এটা সন্ত্ৰাসবাদী নিহত হয়। অঞ্চলটোত এতিয়াও উদ্ধাৰ অভিযান অব্যাহত আছে।

ooooo

উত্তৰাখণ্ডৰ চামলি জিলাৰ হেলাঙৰ এটা বৃহৎ নদীবান্ধৰ সমীপত আজি ভূমিস্খলনৰ গটনা সংঘটিত হৈছে। অলকানন্দা নদীৰ ওপৰত নিৰ্মাণ কৰা বিষ্ণুগড় পিপলকটী হাইড্ৰ' ইলেক্‌ট্ৰিক প্ৰকল্পটোৰ সমীপত সংঘটিত ভূমি স্খলনত কোনো লোকৰ মৃত্যু হোৱা নাই বুলি জিলা দণ্ডাধীশ সন্দীপ তিৱাৰীয়ে জানিবলৈ দিছে। তেওঁ লগতে কয়, যে ঘটনাটোত ৮ জন লোক আহত হৈছে আৰু ইয়াৰে এজনক সংকটজনক অৱস্থাত শ্ৰীনগৰ মেডিকেল কলেজত ভৰ্তি কৰোৱা হৈছে। তেওঁ প্ৰকল্পটোৰ নিৰ্মাণকাৰী সংস্থা টি এইচ ডি চিক কৰ্মৰত শ্ৰমিকসকলৰ সুৰক্ষাৰ বাবে মনোযোগ দিবলৈ নিৰ্দেশ দিছে।

ooooo

ভাৰতে স্পেইনৰ পৰা চি-টু নাইণ্টি ফাইভ শ্ৰেণীৰ ১৬ খন সৈন্য পৰিবহণ বিমানৰ অন্তিমটো খেপ আজি লাভ কৰে। স্পেইনৰ চিভিলেত ভাৰতীয় ৰাষ্ট্ৰদূত দীনেশ কে পাটনায়ক আৰু ভাৰতীয় বায়ু সেনা বাহিনীৰ জ্যেষ্ঠ বিষয়াসকলৰ উপস্থিতিত এই বিমানকেইখন অৰ্পণ কৰা হয়। মাদ্ৰিদত ভাৰতীয় দূতাবাসৰ তৰফৰ পৰা এই বিষয়ে জনাই কয়, যে নিৰ্ধাৰিত সময়ৰ পূৰ্বে বিমানকেইখন হস্তান্তৰ কৰা হয়। স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰ' ছাঞ্চেজ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰৰ অক্টোবৰত গুজৰাটৰ বড়োডৰাত টাটা এয়াৰক্ৰাফট কমপ্লেক্স উদ্বোধন কৰিছিল আৰু ইয়াত ৪০ খন অতিৰিক্ত চি-টু নাইণ্টি ফাইভ বিমানৰ নিৰ্মাণ কৰা হ'ব। এই কাৰ্য্যসূচীৰ অধীনত মুঠ ৫৬ খন বিমান প্ৰদান কৰা হ'ব।

ooooo

তামিলনাডুৰ নাগাপাট্টেনাম জিলাৰ বেদাৰন্যামৰ ১৪ গৰাকী মাছমৰীয়াক আজি শ্ৰীলংকাৰ জলদস্যুৱে আক্ৰমণ কৰে। মাছমৰীয়া কেইজনে তিনিখন নাৱেৰে মাছ ধৰিবলৈ যোৱাৰ সময়তে এই আক্ৰমণৰ ঘটনা সংঘটিত হয়। জলদস্যুৰ দলটোৱে ৫ লাখ টকা মূল্যৰ মাছৰ উপৰিও নাৱৰ ইন্ধন, বহুতো সা-সৰঞ্জাম লুটি নিছে বুলি জানিব পৰা গৈছে। ঘটনাত আহত মাছমৰীয়াকেইজনক ইতিমধ্যে নাগাপাট্টেনাম জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

ooooo

জাপানত এই বৰ্ষৰ জুলাই মাহটো দেশখনৰ আটাইতকৈ গৰমৰ মাহ হিচাপে সৰ্বকালৰ অভিলেখ ভংগ কৰিছে। দেশখনৰ বতৰ বিজ্ঞান সংস্থাই প্ৰকাশ কৰা অনুসৰি, এইবাৰ জুলাইত দেশখনৰ উষ্ণতা পূৰ্বতকৈ গড়ে ২ দশমিক ৮-৯ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি পাইছে। ইয়াৰ আগেয়ে ২০২৪ বৰ্ষৰ জুলাইত ২ দশমিক ১-৬ ডিগ্ৰী ছেলছিয়াছ উষ্ণতা বৃদ্ধিৰে সৰ্বাধিক গৰমৰ মাহ হিচাপে চিহ্নিত হৈছিল। এইবাৰ ৩০ জুলাইত দেশখনৰ টাম্বা চহৰৰ তাপমাত্ৰা ৪১ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ হয়গৈ। উল্লেখযোগ্য যে, গৰমৰ পৰিমাণ বৃদ্ধি হোৱাৰ সমান্তৰালকৈ দেশখনত বৰষুণৰ পৰিমাণ হ্ৰাস পোৱা বুলিও বতৰ বিজ্ঞান সংস্থাই প্ৰকাশ কৰিছে

ooooo

দক্ষিণ কোৰিয়াৰ শাসকীয় ডেম'ক্ৰেটিক পাৰ্টীৰ নতুন নেতা হিচাপে আজি জুং চুং ৰে নিৰ্বাচিত হৈছে। উল্লেখযোগ্য যে, জুং দেশখনৰ নীতি নিৰ্ধাৰণকাৰী হিচাপে যোৱা চাৰিটা কাৰ্য্যকাল কৰ্মৰত হৈ আছে। আজি দেশখনৰ উত্তৰ-পশ্চিম ছিউলৰ গয়াঙত অনুষ্ঠিত দলীয় সভাত তেওঁ ৬১ দশমিক ৭-৪ শতাংশ ভোট লাভ কৰে। জুঙৰ এই বিজয়ৰ পাছতে বৰ্তমানৰ নেতা লী জে মুঙৰ কাৰ্য্যকালৰ অন্ত পৰিছে।

০০০০০

ব্ৰাজিলৰ ফজ ডু ইকোএকোত চলি থকা বিশ্ব টেবুল টেনিছ ষ্টাৰ কণ্টেণ্ডাৰ-২০২৫ প্ৰতিযোগিতাত আজি ভাৰতীয় খেলুৱৈসকলে ইতিহাস ৰচনা কৰিছে। প্ৰতিযোগিতাখনত প্ৰথমবাৰৰ বাবে দুটাকৈ ভাৰতীয় দলে ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটী মানোছ শ্বাহ আৰু দিয়া চিতালেৰ যুটীয়ে শক্তিশালী প্ৰদৰ্শনৰ সৈতে চিলিৰ নিকোলাছ বুৰ্গোজ আৰু পাওলিনা ভেগা যুটীক ৩-০ পইণ্টত পৰাস্ত কৰিছে। ভাৰতীয় দলটোৱে ফাইনেলত জাপানৰ চতোচি আইডা আৰু হনোকা হাচিমতোৰ বিৰুদ্ধে খেলিব। একেদৰে, পুৰুষৰ ডাবলছত দেশৰ তাৰকা যুটী মানৱ থাক্কৰ আৰু মানোছ শ্বাহে ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে ছেমি ফাইনেলত চাইনিজ টাইপেৰ হোৱাং-য়ান-চেং আৰু কো-গোৱা-হুঙক ৫-১১, ১১-৯, ১১-৬, ৮-১১ আৰু ১১-৫ ছেটত পৰাস্ত কৰিছে। পুৰুষৰ ডাবলছৰ ফাইনেলত ভাৰতীয় দলটো জাৰ্মানীৰ বেনেডিক্ট ডুডা আৰু ডং ক্যোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, প্ৰতিযোগিতাৰ ছিংগলছৰ খেলসমূহতো ভাৰতীয় খেলুৱৈসকলে উজ্জীৱিত প্ৰদৰ্শন অব্যাহত ৰাখিছে। মণিকা বাট্ৰাই মহিলাৰ ছিংগলছত আৰু হৰমিত দেশাই আৰু মানোছ শ্বাহে পুৰুষৰ ছিংগলছৰ ৰাউণ্ড অৱ ছিক্সটিনত প্ৰৱেশ কৰিছে।

০০০০০

লণ্ডনৰ অ'ভেলত অনুষ্ঠিত এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ পঞ্চম তথা অন্তিমখন টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে এই বাতৰি লিখাৰ পৰলৈকে ৫টা উইকেটৰ বিনিময়ত ২৩৯ ৰাণ সংগ্ৰহ কৰিছে। ভাৰত সম্প্ৰতি ইংলেণ্ডতকৈ ২১৬ ৰাণত আগবাঢ়ি আছে। কালি দুটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৭৫ ৰাণৰ পৰা ভাৰতে আজি নিজৰ দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিছিল।

যশস্বী জয়ছোৱালে ১০৯ ৰাণ কৰি খেলি আছে। আকাশদীপে ৬৬ আৰু শুভমন গীল ১১ ৰাণ কৰি আউট হয়। ইংলেণ্ডৰ হৈ গাছ আটকিন্সনে ৩টা, জেমি ওভাৰটন আৰু জছ টঙে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডে ২৪৭ ৰাণত নিজৰ প্ৰথম ইনিংছ সামৰে। ভাৰতে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ২২৪ ৰাণ কৰে। ভাৰত শৃংখলাটোত ১-২ ফলাফলত পিচ পৰি থকাৰ পৰিপ্ৰেক্ষিতত এইখন খেলত জয়েৰে সমতা স্থাপনৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে।

০০০০০

সমাপ্ত